হয়, তুমি তোমাৰ বাবে আৰু তোমাৰ সন্তান-সন্ততিৰ বাবে উচিতভাৱে তেওঁৰ সম্পদৰ পৰা ল'ব পাৰা।

উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ আবু ছুফিয়ানৰ স্ত্ৰী হিন্দ বিন্তে উতবা ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰত উপস্থিত হৈ ক'লেঃ হে আল্লাহৰ ৰাছুল! আবু ছুফিয়ান হৈছে এজন কৃপণ ব্যক্তি, তেওঁ মোক
ইমান খিনি খৰচ নিদিয়ে যিখিনি মোৰ আৰু মোৰ সন্তান-সন্ততিৰ বাবে যথেষ্ট হ'ব, কিন্তু
মই তেওঁক নজনোৱাকৈ কিছু ধন লৈ লওঁ, এই ক্ষেত্ৰত মোৰ কোনো গুনাহ হ'বনে? তেতিয়া ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ "হয়, তুমি তোমাৰ বাবে আৰু তোমাৰ সন্তান-সন্ততিৰ বাবে উচিতভাৱে তেওঁৰ সম্পদৰ পৰা ল'ব পাৰা।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হিন্দ বিন্তে উতবা ৰাদ্বিয়াল্লাহু আনহাই নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰত তেওঁৰ স্বামী আবু ছুফিয়ান সম্পৰ্কে ক'লে যে, তেওঁ হৈছে এজন কৃপণ তথা সম্পদ লোভী ব্যক্তি। তেওঁ মোক ইমান পৰিমাণ অৰ্থ সম্পদ নিদিয়ে, যাৰ দ্বাৰা মই মোৰ নিজৰ আৰু পৰিয়ালৰ ভৰণ-পোষণ কৰিব পাৰিম। সেয়ে মই গোপনে তেওঁৰ সম্পদৰ পৰা কিছু ধন তেওঁক নজনোৱাকৈ লৈ লওঁ। এনেকুৱা কৰিলে মোৰ কোনো গুনাহ হ'ব নেকি? তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ তুমি তোমাৰ বাবে আৰু তোমাৰ সন্তানৰ বাবে ইমানখিনি সম্পদ ল'ব পাৰিবা, যিখিনিৰ দ্বাৰা সাধাৰণতে ভৰণ-পোষণ সম্ভৱ হয়, যদিও সেয়া নজনোৱাকৈয়ে লোৱা।

http://sunnah.global/hadeeth/as/show/2965